নং ঃ ৮০৪/২০২০

# জননেতা ভীমবৰ দেউৰীৰ ৭৩ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰৰ দ্বাৰা আয়োজিত ভীমবৰ দেউৰী দিৱস -২০২০ ত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## ভীমবৰ দেউৰীৰ আদৰ্শৰে কঠোৰ অধ্যয়নেৰে শক্তিশালী ব্যক্তিত্বৰ অধিকাৰী হ'বলৈ নৱ প্ৰজন্মক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৩০ নৱেম্বৰ ঃ** 'ইংৰাজৰ বিৰুদ্ধে যিকেইগৰাকী নেতাই শক্তিশালীভাৱে যুঁজ দিছিল তেনে এগৰাকী প্ৰকৃত নেতা আছিল জননেতা ভীমবৰ দেউৰী। এইগৰাকী জননেতাই ছাত্ৰ অৱস্থাৰ পৰাই নানা প্ৰতিকূল পৰিস্থিতিকো নেওচি গভীৰ অধ্যয়নত লিপ্ত হৈ বিভিন্ন পৰীক্ষাৰ দেওনা সুকলমে উত্তীৰ্ণ হৈ এক বিৰল মেধাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত এইগৰাকী জননেতাই ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ সৈতে নেতৃত্ব প্ৰদান কৰি অসমক ভাৰতবৰ্ষৰ এখন অন্যতম অংগ হিচাপে স্বাভিমানেৰে বৰ্তি থকাৰ দিশত উল্লেখযোগ্য বৰঙণি যোগাই গৈছে। সেয়েহে এইগৰাকী জননেতা তথা তীক্ষ্ণ মেধা সম্পন্ন ব্যক্তিৰ আদৰ্শৰে নৱ প্ৰজন্মই শিক্ষা জীৱনত কঠোৰ পৰিশ্ৰমত ব্ৰতী হৈ জাতীয় জীৱন শক্তিশালী কৰি তুলিব লাগিব।' আজি ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত তথা লখিমপুৰ জিলা প্ৰশাসন, দেউৰী স্বায়ত্ত শাসিত পৰিষদ আৰু সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ সহযোগত জননেতা ভীমবৰ দেউৰীৰ ৭৩ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি লখিমপুৰ জিলাৰ নাৰায়নপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত ভীমবৰ দেউৰী দিৱসত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

শিক্ষা অবিহনে এটা জাতি কেতিয়াও শক্তিশালীভাৱে মূৰ তুলি ঠিয় হৈ থাকিব নোৱাৰে বুলি উল্লেখ কৰি জননেতা ভীমবৰ দেউৰীয়ে সেই তাহানিকালতে যদি নানা প্ৰতিকূলতা নেওচি শিক্ষাৰ দিশত জাতিষ্কাৰ হ'ব পাৰে তেতিয়া হ'লে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে তেনেধৰণে জাকত জিলিকা হ'ব নোৱাৰাৰ কাৰণ থাকিব নোৱাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কোনো দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে ধনৰ অভাৱত শিক্ষাৰ পৰা বঞ্চিত হ'ব নালাগে তাৰ বাবে বিনামূলীয়া নামভৰ্ত্তি, বিনামূলীয়া পাঠ্যক্ৰম, বিনামূলীয়া ইউনিফৰ্ম, শৈক্ষিক জলপানি, উচ্চ শিক্ষাৰ বাবে লোৱা ঋণৰ ক্ষেত্ৰত এককালীন ৫০ হাজাৰ টকাৰ ৰাজসাহায্য প্ৰদান ইত্যাদিৰ দৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও কয়। ইমানখিনি সুবিধা থকা স্বত্ত্বেও আজিৰ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলে যদি শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধি নকৰে, তেতিয়া হ'লে ভীমবৰ দেউৰীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা নহ'ব বুলিও তেওঁ

কয়। মহাপুৰুষ মাধৱ দেৱৰ পৱিত্ৰ ভূমি নাৰায়নপুৰত আয়োজিত ভীমবৰ দেউৰী দিৱসত শিক্ষাৰ জৰিয়তে জাতিটোক শক্তিশালীভাৱে গঢ় দিয়াৰ সংকল্প ল'বলৈও মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী তথা পিতৃ-মাতৃসকলক আহ্বান জনায়। ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে সকলো ক্ষেত্ৰৰ উচ্চ শিক্ষা অসমতে লাভ কৰিব পাৰে তাৰ বাবে বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ চাৰে চাৰি বছৰীয়া কাৰ্যকালত কেইবাখনো নতুন চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় নিৰ্মাণৰ পদক্ষেপ, ৩২ খন পলিটেকনিক, বহু সংখ্যক দক্ষতা উন্নয়ন কেন্দ্ৰ, মাধৱদেৱ বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়, সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গোগামুখত ভাৰতীয় কৃষি গৱেষণা কেন্দ্ৰ, যোৰহাটত নেশ্যনেল ইনষ্টিটিউট অৱ ডিজাইন ইত্যাদিৰ লেখীয়া উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ়াৰ পদক্ষেপ লৈছে বুলিও তেওঁ কয়।

২১ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ এই প্ৰতিযোগিতামুখী বাতাবৰণত মানৱীয় প্ৰমূল্যবোধ অটুত ৰাখি সমাজখনক শক্তিশালী কৰাৰ বাবে প্ৰতিটো কৰ্মক্ষেত্ৰত নিষ্ঠা সহকাৰে ব্ৰতী হৈ এক সুস্থ কৰ্ম সংস্কৃতি গঢ় দিয়াৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এই প্ৰসংগত তেওঁ কয় যে কেৱল পৰিশ্ৰমৰ জৰিয়তেহে পৰিৱৰ্তন সম্ভৱ। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজ্যখনৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ মহান মনীষীসকলৰ স্মৃতি যুগমীয়া কৰাৰ বাবে ২০১৬ চনৰ পৰাই নিৰৱচ্ছিন্নভাৱে প্ৰচেষ্টাত ব্ৰতী হৈ আছে বুলিও তেওঁ কয়। এনে ধৰণৰ প্ৰয়াসৰ অংশ হিচাপে শদিয়াত জননেতা ভীমবৰ দেউৰীৰ নামত ১১০ বিঘা ভূমি সামৰি এক স্মৃতি ক্ষেত্ৰ নিৰ্মাণৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে দেউৰী জনগোষ্ঠীৰ সকলোলোক তথা দল-সংগঠনকে এই স্মৃতি ক্ষেত্ৰখন প্ৰতিষ্ঠাৰ দিশত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ভীমবৰ দেউৰীৰ কৰ্মজীৱনৰ উপযুক্ত মূল্যায়ন আৰু অধ্যয়ন কৰাৰ ওপৰটো গুৰুত্ব আৰোপ কৰে। পৰৱৰ্তী পৰ্যায়ৰ ভীমবৰ দেউৰী দিৱসৰ লগত সংগতি ৰাখি তেওঁৰ জীৱন আৰু কৰ্মৰাজি সামৰি ৰচনা তথা কুইজ ইত্যাদিৰ দৰে প্ৰতিযোগিতা অনুষ্ঠিতকৰণৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰী সোণোৱালে জননেতা ভীমবৰ দেউৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি নেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

অনুষ্ঠানত বক্তব্য ৰাখি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেই কয় যে জননেতা ভীমবৰ দেউৰীয়ে শোষিত, নিষ্পেষিত জনসাধাৰণৰ কল্যাণ তথা বৃহত্তৰ অসমীয়া সমাজ গঢ়াৰ দিশত উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। বৰ্তমানৰ চৰকাৰখনে ২০১৬ চনৰ পৰাই প্ৰতিটো জাতি-জনগোষ্ঠীৰ মহান মনীষী, বীৰ-বীৰাঙ্গনা তথা উৎসৱ-পাৰ্বন ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজন কৰি তেওঁলোকৰ অনুপ্ৰেৰণাৰে সমন্বয়ৰ এক শক্তিশালী পৰিৱেশ নিৰ্মাণৰ ওপৰত নিষ্ঠাসহকাৰে গুৰুত্ব আৰোপ কৰিছে বুলি তেওঁ কয়। বৰ্তমানৰ চৰকাৰখনে চৰাইদেউত ৪২ গৰাকী আহোম স্বৰ্গদেউৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ প্ৰাথমিক কাম-কাজ সম্পন্ন কৰিছে বুলি উল্লেখ কৰি ভাষা গৌৰৱ আঁচনিৰ জৰিয়তে প্ৰতিটো জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতিৰ বিকাশত গুৰুত্ব আৰোপ কৰিছে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে

বৰ্তমানৰ চৰকাৰখনৰ কাৰ্যকালতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ উন্নয়নে বিশেষ মাত্ৰা লাভ কৰিব পাৰিছে বুলিও কয়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাসে কয় যে জাতি নিৰ্মাতাসকলৰ অৱদানৰ প্ৰতি সন্মান জনাই তেখেতসকলক উপযুক্ত মৰ্যাদা প্ৰদানৰ লক্ষ্যৰে বৰ্তমানৰ চৰকাৰখনে বহু সংখ্যক পদক্ষেপ লৈছে। অসমীয়া মানুহৰ সামগ্ৰিক স্বাভিমান বৃদ্ধি কৰাৰ দিশত চৰকাৰখনে আত্মনিয়োগ কৰি আছে। পূৰ্বতে ভীমবৰ দেউৰীৰ দৰে জননেতাৰ স্মৃতি দিৱস অনুষ্ঠুপীয়াকৈ আয়োজন কৰা হৈছিল যদিও বৰ্তমানৰ চৰকাৰখনে তেখেতৰ অৰিহণাক যোগ্য সন্মান জনাই চৰকাৰৰ উদ্যোগত এই দিৱস পালনৰ ব্যৱস্থা কৰিছে বুলিও তেওঁ কয়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি বিহপুৰীয়া সমষ্টিৰ বিধায়ক দেৱানন্দ হাজৰিকাই বিগত চাৰে চাৰি বছৰত বিহপুৰীয়া সমষ্টিকে ধৰি সমগ্ৰ লখিমপুৰ জিলাখনত হোৱা ক্ষিপ্ৰ উন্নয়নৰ সবিশেষ সামৰি বক্তব্য প্ৰদান কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি প্ৰাক্তন শিক্ষা মন্ত্ৰী প্ৰেমধৰ বৰাই কয় যে যি দেশত বীৰৰ প্ৰতি সন্মান জনোৱা নহয়, সেই দেশত বীৰৰ কেতিয়াও জন্ম নহয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সেয়েহে এই দিশত লোৱা পদক্ষেপৰ তেওঁ শলাগ লোৱাৰ উপৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে বৰ্তমানলৈকে কৰা কাম-কাজৰো তেওঁ শলাগ লয়। প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে লগতে সকলো জাতি-জনগোষ্ঠীৰ প্ৰতিনিধিত্বৰ সুবিধাৰ্থে অসমত এখন উচ্চ সদন গঠনৰো পোষকতা কৰে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বিষ্ণু কমল বৰাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য  মাধৱ দেউৰীয়ে বৰ্তমানৰ চৰকাৰখনে দেউৰী জনগোষ্ঠীটোৰ  সমস্যাসমূহ অনুধাৱন কৰি যথাৰ্থ পদক্ষেপ লৈ আছে বুলি কয়। তেওঁ লগতে ৰাজ্য চৰকাৰে প্ৰতি দুই বছৰৰ মূৰে মূৰে জননেতা ভীমবৰ দেউৰীৰ নামত বঁটা প্ৰদানৰ বাবে লোৱা পদক্ষেপৰো শলাগ লয়।

আজিৰ এই অনুষ্ঠানত লখিমপুৰ জিলাৰ উপায়ুক্ত ডাঃ জীৱন বি, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দিৱাকৰ ডেকা,  দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ বিষ্ণু দেউৰী, সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল দেউৰী, বিশিষ্ট সমাজ কৰ্মী ড° অমিয় ভূএঞা, হৰেণ দেউৰী, প্ৰফুল্ল বৰা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**

**৩০/১১/২০২০**